# ঘৰে-পথাৰে

পষেকীয়া কৃষি পত্ৰিকা

অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট


**কৃষক ৰাইজলৈ গোহাৰি**

আমাৰ এই 'ঘৰে - পথাৰে' পত্ৰিকাখনিৰ ই-সংস্কৰণ মুকলি কৰা হৈছে। গতিকে কৃষক ৰাইজে আমাৰ ৱেব চাইট www.aau.ac.in লগ অন কৰি 'ঘৰে-পথাৰেৰ' ই-সংস্কৰণৰ সুবিধা গ্ৰহণ কৰিব পাৰিব।

মুখ্য সম্পাদক
'ঘৰে-পথাৰে'
সম্প্ৰসাৰণ শিক্ষা সঞ্চালকালয়
অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট

**এই সংখ্যাত আছে -**


| বিষয় | পৃষ্ঠা |
|---|---|
| ☐ বৰ্ষাকালীন মগুমাহৰ খেতি.. | ২ |
| ☐ বানপানীৰ পৰৱৰ্তী সময়ত .. | ২ |
| ☐ জৈৱিক কৃষিৰ প্ৰভাৱ বিস্তাৰত. | ২ |
| ☐ আমাৰ একাষাৰ .. .. .. | ৩ |
| ☐ মাহটোৰ কৃষিকৰ্ম .. .. .. | ৩ |
| ☐ উদ্যান শস্য .. .. | ৩ |



☐ ৪৩ তম্ বছৰ ☐ সংখ্যা ১৮ ☐ ১৬ ছেপ্তেম্বৰ - ২০২২ ☐ ১ - ১৫ আহিন, ১৯৪৪ শক ☐ মূল্য - ১.০০ টকা GHARE - PATHARE PMG - 19 of 2005 - 06


### অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত কাঁহিকুছিস্থিত উদ্যান শস্য গৱেষণা কেন্দ্ৰত

# উদ্যান শস্যৰ দক্ষতা বিকাশ কেন্দ্ৰ উদ্বোধন

যোৱা ৯ ছেপ্তেম্বৰ তাৰিখে অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত কাঁহিকুছিস্থিত উদ্যান শস্য গৱেষণা



*কাঁহিকুছিস্থিত উদ্যান শস্য গৱেষণা কেন্দ্ৰৰ সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ অংশ হিচাবে গৱেষণা কেন্দ্ৰটোত উদ্যান শস্যৰ দক্ষতা বিকাশ কেন্দ্ৰ উদ্বোধন কৰা অৱস্থাত কৃষিমন্ত্ৰী অতুল বৰা, অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকা প্ৰমুখ্যে অন্যান্যসকল*

কেন্দ্ৰৰ সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ অংশ হিচাবে গৱেষণা কেন্দ্ৰটোত এটা উদ্যান শস্যৰ দক্ষতা বিকাশ কেন্দ্ৰ উদ্বোধন কৰে কৃষিমন্ত্ৰী অতুল বৰাই। এই উপলক্ষে আয়োজিত এক অনুষ্ঠানত অংশ গ্ৰহণ কৰি কৃষিমন্ত্ৰী অতুল বৰাই কয় যে কৃষি বিজ্ঞানীসকলে যি গৱেষণাই নকৰক কিয়, সেই গৱেষণা কৃষকৰ অৰ্থনৈতিক উন্নয়নৰ গৱেষণা হোৱা উচিত। তেখেতে লগতে কয় যে কৃষি বিজ্ঞানীসকলৰ গৱেষণাৰ ফল কৃষকৰ পথাৰত সফল হ'ব লাগিব। যদি কৃষকৰ উন্নতি নহয়, গাঁৱৰ উন্নতি নহয়, তেন্তে দেশ বা ৰাজ্যৰ বিকাশ সম্ভৱ নহয় বুলি মন্ত্ৰীগৰাকীয়ে কৃষি বিজ্ঞানীসকলক উদ্দেশ্যি মন্তব্য কৰে। ৰাজ্যখনৰ উদ্যান শস্য খণ্ডত দক্ষ মানৰ সম্পদ সৃষ্টিত এই নতুন কেন্দ্ৰটোৱে বিশেষ ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হ'ব বুলিও আশা ব্যক্ত কৰি মন্ত্ৰীগৰাকীয়ে কয় যে শেহতীয়াকৈ বিশ্বজুৰি সৃষ্টি হোৱা জলবায়ু পৰিবৰ্তনৰ প্ৰভাৱৰ বাবে কৃষি বিজ্ঞানীসকল প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। জলবায়ু পৰিবৰ্তনৰ ফলত কৃষি বিজ্ঞানীসকল পাৰিপাৰ্শ্বিক আৰু অৰ্থনৈতিকভাৱে প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ কথা উল্লেখ কৰি তেখেতে লগতে কয় যে এই সংকটৰ সময়ত কৃষকসকলৰ অৰ্থনৈতিক ধাৰাটো সুস্থিৰ কৰি ৰখাটো কৃষি বিজ্ঞানীসকলৰ মুখ্য দায়িত্ব হোৱা উচিত। য'ত প্ৰত্যাহ্বান থাকে তাত প্ৰত্যাশাও থাকে বুলি আঙুলিয়াই দি কয় যে য'ত প্ৰত্যাশা থাকে তাতেই সফলতাৰ অংকুৰণো হয়। তেখেতে আলুৰ উৎপাদন প্ৰসংগত কয় যে

*(৪ পৃষ্ঠাৰ ২ কলমত চাওক)*

### প্ৰগতিশীল কাঠফুলা খেতিয়ক

# হেমন্ত নাথলৈ ৰাষ্ট্ৰীয় বঁটা

অখিল ভাৰতীয় সমন্বিত কাঠফুলা গৱেষণা প্ৰকল্প, অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট কেন্দ্ৰৰ পৰা মনোনিত কাঠফুলা খেতিয়ক হেমন্ত নাথে সৰ্বভাৰতীয় পৰ্যায়ৰ প্ৰগতিশীল কাঠফুলা খেতিয়কৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। কাঠফুলা খেতিৰ প্ৰতি থকা বিশেষ অৱদানৰ বাবে হিমাচল প্ৰদেশত অৱস্থিত 'কাঠফুলা খেতিৰ গৱেষণা সঞ্চালকালয়' তৰফৰ পৰা প্ৰগতিশী খেতিয়ক নাথক এই ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰা হৈছে। হিমাচল প্ৰদেশৰ চলানত অনুষ্ঠিত ৰাষ্ট্ৰীয় কাঠফুলা মেলাত দেশৰ আন ছয়গৰাকী নিৰ্বচিত পুৰুষ তথা মহিলা কাঠফুলা খেতিয়কৰ সৈতে হেমন্ত নাথক এই বঁটা প্ৰদান কৰা হয়। অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত নলবাৰী জিলাৰ কৃষি বিজ্ঞান কেন্দ্ৰত প্ৰাৰম্ভিক অৱস্থাত



কাঠফুলা সম্বন্ধীয় কাৰিকৰী তথা ব্যৱহাৰিক জ্ঞান আহৰণ কৰা হেমন্ত নাথ নলবাৰী জিলাৰ বৰঝাৰ অঞ্চলৰ উদীয়মান যুৱ কৃষক। অসমৰ খেতিয়কৰ এনে সফলতাই, অসমত কাঠফুলা খেতিৰ প্ৰসাৰ ঘটোৱাৰ দিশত অনুপ্ৰেৰণা যোগাব বুলি আশা কৰা হৈছে।

### অসম কৃষি বিশ্ববিদ্যালয়ত

# কাঠফুলা বীজ উৎপাদনৰ কৰ্মশালা সম্পন্ন

অসম কৃষি বিশ্ববিদ্যালয়ৰ যোৰহাটস্থ মূল চৌহদত যোৱা ৭-৯ ছেপ্তেম্বৰ তাৰিখলৈ প্ৰথমবাৰৰ বাবে কাঠফুলাৰ বীজ উৎপাদনৰ কৃষক প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হৈ যায়। এই উপলক্ষে আয়োজিত এক শুভাৰম্ভণি অনুষ্ঠানত শস্য ৰোগ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° পলাশ দেৱনাথে ভাষণ প্ৰসংগত অসম কৃষি বিশ্ববিদ্যালয়ে কাঠফুলা খেতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে লোৱা পদক্ষেপৰ অংশ হিচাবে এই প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হয় বুলি প্ৰকাশ কৰে। সহকাৰী অধ্যাপত অপূৰ্ব দাসে আঁত ধৰা অনুষ্ঠানটোত উদ্যান বিজ্ঞান বিভাগৰ অধ্যাপক ড° নিলয় বৰাও উপস্থিত থাকি বক্তব্য আগবঢ়ায়। এই তিনিদিনীয়া প্ৰশিক্ষণটোত জিলাখনৰ বিভিন্ন প্ৰান্তৰ প্ৰায় ১৭ গৰাকী নিৰ্বাচিত কাঠফুলা খেতিয়কক শেহতীয়া প্ৰযুক্তিৰে কাঠফুলাৰ বীজ উৎপাদনৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰা হয়। ফাৰ্মাৰ ফাৰ্ষ্ট আঁচনি আৰু কাঠফুলা সম্বন্ধীয় সৰ্বভাৰতীয় সমন্বিত গৱেষণা প্ৰকল্পৰ দ্বাৰা আয়োজিত এই প্ৰশিক্ষণ কাৰ্যসূচীত উন্নতমানৰ কাঠফুলাৰ বীজ উৎপাদনৰ জৰিয়তে কেনেকৈ অধিক লাভান্বিত হ'ব পাৰি সেই সম্পৰ্কে বিশেষ প্ৰশিক্ষণ দিয়া হয়। সহকাৰী অধ্যাপক অপূৰ্ব দাসৰ পৰিচালনাত এই প্ৰশিক্ষণ অনুষ্ঠিত হয়।

### অসম কৃষি বিশ্ববিদ্যালয়ত

# 'ঘাঁহ দিৱস' পালন

যোৱা ৯ ছেপ্তেম্বৰ তাৰিখে অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনৰ সৰ্বভাৰতীয় সমন্বয়ৰক্ষী ঘাঁহ গৱেষণা প্ৰকল্পৰ যোৰহাট কেন্দ্ৰৰ উদ্যোগত 'ঘাঁহ দিৱস' পালন কৰা হয়। বিশ্ববিদ্যালয়ৰ যোৰহাটস্থ মূল চৌহদৰ নিৰ্দেশমূলক তথা গৱেষণা পামত আয়োজিত এই অনুষ্ঠানত মুখ্য অতিথি হিচাবে কৃষি অনুষদৰ বিজ্ঞানগুৰু ড° জয়ন্ত ডেকাই ভাষণ প্ৰসংগত কয় যে কৃষকৰ মাজলৈ ঘাঁহশস্যক নি জনপ্ৰিয় কৰা আৰু ঘাঁহক ব্যৱসায়িক শস্য হিচাবে খেতি কৰি উত্তৰণ ঘটালে গো-পালক সকলৰ সামগ্ৰিক উত্তৰণ হয়। সেয়ে গাখীৰৰ উৎপাদন বৃদ্ধিত সহায়ক হোৱাকৈ সমবায়ভিত্তিত গো-পালন কৰিলে বিক্ৰী তথা চৰকাৰী সুবিধা আৰু মূলধন লাভত সহায়ক হ'ব পাৰে। সৰ্বভাৰতীয় সমন্বয়ৰক্ষী ঘাঁহ গৱেষণা প্ৰকল্পৰ প্ৰধান বিজ্ঞানী ড° সেউজী বৰা নেওগে আগৰণি ভাষণ আগবঢ়োৱা অনুষ্ঠানটোত প্ৰকল্পটোৰ সৈতে সুদীৰ্ঘ সময় জড়িত প্ৰধান বিজ্ঞানী ড° কৰুণাকান্ত শৰ্মাই প্ৰকল্পটোৰ উত্তৰণৰ বিষয়ে সবিশেষ বক্তব্য

*(৪ পৃষ্ঠাৰ ৩ কলমত চাওক)*

# বৰ্ষাকালীন মগুমাহৰ খেতি

অসমত মাহজাতীয় শস্যৰ খেতি ১.৪৪ লাখ হেক্টৰ কৃষিভূমিত কৰা হয় আৰু বছৰি ১.০৬ লাখ টন উৎপাদন পোৱা যায় (২০১৯-২০ ৰ পৰিসংখ্যা)। গড় উৎপাদন ৭৪০ কিলোগ্ৰাম প্ৰতি হেক্টৰত। বৰ্ষাকালীন মাহজাতীয় শস্যৰ ভিতৰত মাটিমাহ, মগুমাহ আৰু ৰহৰ মাহেই প্ৰধান।

মগুমাহৰ অধিক উৎপাদনক্ষম জাতবোৰ হ'ল - প্ৰতাপ, এচ.জি.চি. ১৬ (ৰূপহী), এচ.জি.চি ২০, আই.পি.এম ০২-৩, সোণাই আদি। এই জাতবোৰ বিভিন্ন ৰোগ প্ৰতিৰোধ ক্ষমতাসম্পন্ন। মগুমাহৰ খেতিৰ বাবে ওখ, পানী জমা নোহোৱা, পলসুৱা মাটি বাচি ল'ব লাগে। বৰষুণৰ অতিৰিক্ত পানীভাগ পলকতে ওলাই যাব পৰাৰ ব্যৱস্থা কৰি দিব লাগে। মাটিডৰা ২-৩ বাৰ ভালদৰে চহাই লৈ মৈয়াই সমান কৰি ল'ব লাগে। শেষৰবাৰ হালবোৱাৰ সময়ত সামৰ্থানুযায়ী পৰ্যাপ্ত পৰিমাণে গোবৰ-জাবৰ বা পচন সাৰ প্ৰয়োগ কৰিব লাগে। ই মাটিৰ স্থিতি যোগ্যতা আৰু শস্যৰ উৎপাদন বঢ়োৱাত নিৰ্ণায়ক ভূমিকা লয়। প্ৰয়োগ কৰিবলগীয়া ৰাসায়নিক সাৰৰ পৰিমাণ হ'ল - প্ৰতিবিঘা মাটিত ৪ কিলোগ্ৰাম ইউৰীয়া, ৩০ কিলোগ্ৰাম একক চুপাৰ ফচফেট আৰু ৩.৩ কিলোগ্ৰাম মিউৰেট অৱ পটাছ।

মাহজাতীয় শস্যত জীৱাণুসাৰৰ গুৰুত্ব অপৰিসীম। বিশেষকৈ ৰাইজ'বিয়াম নামৰ এবিধ বেক্টেৰীয়াৰ। এই বেক্টেৰীয়াবিধে মাহজাতীয় শস্যৰ শিপাত টেমুনাৰ সৃষ্টি কৰে য'ত বায়ুমণ্ডলৰ নাইট্ৰ'জেন সংস্থাপিত হয়। ৰাইজ'বিয়াম প্ৰাকৃতিকভাৱে মাটিতো থাকে। কিন্তু ই যথেষ্ট নহবও পাৰে। সেয়েহে জীৱাণুসাৰ হিচাবে ৰাইজ'বিয়াম প্ৰয়োগ কৰিলে অধিক সুফল পোৱা যায়। এবিঘা মাটিৰ কাৰণে মগুমাহৰ ২.৭ কিলোগ্ৰাম বীজৰ প্ৰয়োজন হয়। বীজ সিঁচাৰ উপযুক্ত সময় হ'ল ভাদ মাহ। সিঁচাৰ আগতে বীজখিনিৰ ওপৰত অলপ পানী ছটিয়াই ল'ব লাগে। তাৰ পিছত বীজৰ লগত ৰাইজ'বিয়াম কালচাৰ (৫০ গ্ৰাম প্ৰতি কিলো বীজ হাৰে) খিনি ভালদৰে মিহলাই লৈ ছাঁত শুকুৱাব লাগে। এনেকুৱা কৰিলে বীজৰ ওপৰত ক'লা বৰণৰ প্ৰলেপ দেখা যায়, আৰু জেকাভাৱ নোহোৱা হোৱাৰ পিছত বীজখিনি সিঁচিব লাগে। যত্ন ল'ব লাগে যাতে এনে বীজৰ ওপৰত অধিক সময়ৰ বাবে প্ৰখৰ ৰ'দ পৰি নাথাকে। ৰাইজ'বিয়াম প্ৰয়োগ কৰিলে প্ৰতিবিঘা মাটিত এক কিলোগ্ৰামকৈ ইউৰীয়া কমাই প্ৰয়োগ কৰিলেও হয়।

অসমৰ মাটি আম্লিক হোৱাৰ কাৰণে ফচফৰাছৰ অভাৱ হয়। প্ৰয়োগ কৰা ফচফৰাছযুক্ত সাৰৰ সৰহ ভাগেই মাটিত শস্যই ল'ব নোৱাৰা অৱস্থা এটাত সোমাই পৰে। এইখিনিতে ফচফেট দ্ৰৱনকাৰী বেক্টেৰীয়া নামৰ এবিধ জীৱাণুসাৰৰ প্ৰয়োগৰ গুৰুত্ব অনস্বীকাৰ্য হৈ পৰে। এইবিধ জীৱাণুসাৰৰ পৰিমাণ আৰু প্ৰয়োগ পদ্ধতি ৰাইজ'বিয়ামৰ দৰে একেই।

বৰ্ষাকালীন মগুমাহৰ খেতিডৰাত বন-বাতৰ উপদ্ৰৱ বেছি হয়। অনিয়ন্ত্ৰিত বন-বাতে ৫০% বা ততোধিক উৎপাদন হ্ৰাস কৰিব পাৰে। সেয়েহে আকাংখিত উৎপাদন পাবলৈ হ'লে বন-বাত নিৰণি কৰাটো অত্যন্ত জৰুৰী। সাধাৰণতে সিঁচাৰ ২০-২৫ দিনৰ ভিতৰত এবাৰ নিৰণি কৰিব লাগে। বন-বাতৰ আক্ৰমণৰ উপৰিও শস্যডৰা বিভিন্ন ৰোগ আৰু অনিষ্টকাৰী পোক-পৰুৱাৰ দ্বাৰা আক্ৰান্ত হোৱা দেখা যায়। সেয়েহে খেতিডৰা সময়ে সময়ে পৰিদৰ্শন কৰি থকাতো বাঞ্চনীয়। যিকোনো বেমাৰ-আজাৰ তথা পোক-পৰুৱাৰ আক্ৰমণ দেখাৰ লগে লগে কৃষি বিজ্ঞান কেন্দ্ৰ বা কৃষি গৱেষণা কেন্দ্ৰৰ বিজ্ঞানী বা কৃষি বিষয়াৰ লগত যোগাযোগ কৰি উচিত সময়ত উচিত শস্যৰক্ষাৰ ব্যৱস্থাপনা হাতত ল'ব লাগে।

**ড° ৰঞ্জনা চক্ৰৱৰ্তী**

# বানপানীৰ পৰবৰ্তী সময়ত কৃষিভূমিৰ ব্যৱস্থাপনা

অসমৰ কৃষি উন্নয়ন আৰু অসমৰ অৰ্থনৈতিক অনগ্ৰসৰতাৰ এটা প্ৰধান কাৰণ হৈছেপ্ৰতি বছৰে সঘনাই হোৱা বানপানী। অসমৰ ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাত হোৱা বানপানীৰ ফলত গুৰুত্বৰ ৰূপ লোৱা খহনীয়া, জীৱন আৰু পশুধনৰ ক্ষতি আৰু আন্তঃগাঁথনি আৰু সম্পত্তিৰ প্ৰচণ্ড ক্ষতি উল্লেখযোগ্য। ৰাজ্যখনৰ পাহাৰীয়া জিলা দুখনৰ বাহিৰেব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকা উভয়ৰে প্ৰায় সকলো জিলাতে প্ৰতি বছৰে প্ৰচণ্ড বানপানীৰ সন্মুখীন হয়। গড়ে যোৱা তিনিটা দশকৰ ভিতৰত প্ৰতি বছৰে ৰাজ্যখনৰ মুঠ ভৌগোলিক অঞ্চলৰ ১২ শতাংশতকৈ অধিক অঞ্চল বানপানীৰ ফলত প্ৰভাৱিত হৈছে।

ইতিহাসৰ পৰা দেখা যায় যে বহুতো প্ৰাচীন সভ্যতা আৰু কৃষিৰ বিকাশ পুষ্টিসমৃদ্ধ বানপানী অধ্যুষিত নদী উপত্যকাত বিকাশ হৈছিল, কিন্তু পৰবৰ্তীকালত বানপানীৰ পৰিঘটনাই সেইসমূহ ধ্বংসও কৰিছিল। বানপানীৰ পৰিঘটনাই বহুতো প্ৰত্যাহ্বান আনে যিবোৰৰ সৈতে মোকাবিলা কৰাতো অতি কঠিন।

**কৃষিভূমিত বানপানীৰ প্ৰভাৱ ঃ**

প্লাবিত মাটিয়ে কৃষিভূমিৰ বাবে উল্লেখযোগ্য প্ৰত্যাহ্বানৰ সৃষ্টি কৰে। বানপানীৰ বহুতো প্ৰত্যক্ষ প্ৰভাৱ আছে, তাৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য হ'ল -

- ◆ উৎপাদনশীল ভূমিত বালি আৰু ধ্বংসাৱশেষ জমা হোৱা
- ◆ মাটিত পলস জমা হোৱা
- ◆ মাটিৰ বয়ণ, গঠন আৰু পানী ধৰি ৰখাৰ ক্ষমতাৰ পৰিবৰ্তন
- ◆ সাৰুৱা কৃষিভূমিৰ খহনীয়া
- ◆ উদ্ভিদৰ পুষ্টিকৰ উপাদানসমূহক সহজলভ্য কৰা উপকাৰী অনুজীৱৰ ক্ষতি
- ◆ মাটিত উদ্ভিদৰ উপলব্ধ পুষ্টি উপাদানৰ মাত্ৰাৰ পৰিবৰ্তন
- ◆ বানপানীৰ পিছত ৰোপণ কৰা শস্যবোৰৰ লেহেমীয়া বৃদ্ধি

খহনীয়াৰ ফলত হেৰাই যোৱা মাটিয়ে লগত উদ্ভিদৰ বাবে উপলব্ধ মূল্যৱান পুষ্টিকৰ উপাদান আৰু জৈৱিক পদাৰ্থ লৈ যাব পাৰে। বানপানীৰ পৰা হোৱা পলস নিক্ষেপে মাটিত নাই ট্ৰ'জেন. ফছফৰাছ, চিলিকন, পটাছিয়ামৰ মাত্ৰা বৃদ্ধি পাব পাৰে। পানীত দ্ৰবীভূত পুষ্টিকৰ উপাদান যেনে - নাইট্ৰেট-নাইট্ৰ'জেন আৰু পটাছিয়াম বোৱতী পানীৰ দ্বাৰা অপসাৰিত হ'ব পাৰে বা ভূগৰ্ভস্থ পানীলৈ গতি কৰিব পাৰে। পানীৰে পৰিপূৰ্ণ মাটিত থকা নাইট্ৰ'জেন ডিনাইট্ৰিকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে গেছীয় ৰূপলৈ ৰূপান্তৰিত কৰি বায়ুমণ্ডললৈ হেৰাই যাব পাৰে। বানপানীৰ ফলত ফছফৰাছৰ উপলব্ধতা বৃদ্ধিৰ বাবে দায়ী অণুজীৱৰ জনসংখ্যা হ্ৰাস হৈ উপলব্ধ ফছফৰাছ হ্ৰাস হ'বও পাৰে। যদি ওচৰ-চুবুৰীয়াৰ উৰ্বৰ পথাৰৰ পৰা পলস আহিছিল, তেন্তে পথাৰখনৰ উৰ্বৰতাৰ অৱস্থা সম্ভৱতঃ অপৰিবৰ্তিত হ'ব বা বানপানীৰ আগৰ তুলনাত বেছি হ'ব।

বানপানীৰ পিছত হোৱা এই প্ৰভাৱৰ ফলত কৃষকসকলে ক্ষতি আৰু কৃষিযোগ্য ভূমিৰ ধ্বংসৰ প্ৰত্যাহ্বানৰ সন্মুখীন হয়। পৰবৰ্তী সময়ত উৎপাদকসকলে তেওঁলোকৰ কৃষিযোগ্য মাটি লাহে লাহে উদ্ধাৰ কৰাৰ বাবে পৰিকল্পনা কৰিব লাগিব।

**বানপানীৰ পিছৰ মাটি ব্যৱস্থাপনা ঃ**

বানপানীৰ পৰিঘটনাই সৃষ্টি কৰা প্ৰত্যাহ্বানসমূহ এনেধৰণে মোকাবিলা কৰিব লাগিব যাতে ৰোপণৰ বাবে পথাৰ প্ৰস্তুত কৰিব পৰা যায় আৰু শস্যৰ উৎপাদন অনুকুল কৰিবলৈ মাটিৰ পুষ্টিকৰ পদাৰ্থৰ মাত্ৰা যথেষ্ট হোৱাটো নিশ্চিত কৰিব পৰা যায়। মাটিৰ স্বাস্থ্যক পুনৰুজ্জীৱিত কৰাৰ পদ্ধতি চিনাক্ত কৰি কৃষকসকলে নিজৰ মাটি মেৰামতি কৰি ভূমি উৎপাদনশীল অৱস্থালৈ ঘূৰাই আনিব পাৰে।

পথাৰত ধ্বংসাৱশেষ আৰু পলসৰ পৰ্যাপ্ত পৰিমাণ মোকাবিলা কৰিবলৈ কৃষকসকলে প্ৰথমে নিৰ্ধাৰণ কৰিব লাগিব যে সামগ্ৰী আৰু বস্তুবোৰ মাটিত খেতি কৰিব পাৰি নেকি, বা ভৌতিকভাৱে আঁতৰোৱাৰ প্ৰয়োজন আছে নেকি। আংশিকভাৱে লুকাই থকা বস্তুবোৰ ভালদৰে চাব লাগে যিয়ে পশুধনক আঘাট কৰিব পাৰে বা যন্ত্ৰপাতিৰ ক্ষতি কৰিব পাৰে। অৱশ্যে মাটিবোৰ সংকোচন হোৱাৰ পৰা হাত সাৰিবলৈ পথাৰৰ পৰা কোনো বৃহৎ ধ্বংসাৱশেষ আঁতৰোৱাৰ আগতে বা মাটিত কাম কৰাৰ আগতে মাটিবোৰ পৰ্যাপ্ত পৰিমাণে পানী ওলাই যাবলৈ দিয়াটো অতি গুৰুত্বপূৰ্ণ। ভিজা মাটিৰ ওপৰত ট্ৰেক্টৰ আৰু অন্যান্য গধুৰ খেতিৰ সঁজুলি চলোৱাৰ পৰা বিৰত থকা উচিত। যদি শস্যৰ অৱশিষ্ট বা পলস ৪ ইঞ্চিতকৈ কম জমা হৈছে, তেন্তে সাধাৰণ পথাৰ কাৰ্যৰ দ্বাৰা পথাৰসমূহ প্ৰস্তুত কৰিব পাৰি। যদি অধিক পৰিমাণৰ ধ্বংসাৱশেষ বা পলস জমা হৈছে, তেন্তে গভীৰভাৱে হাল বোৱাৰ প্ৰয়োজন হ'ব পাৰে।

যিহেতু জলমগ্ন অৱস্থাই উদ্ভিদৰ পুষ্টিকৰ উপাদানসমূহক সহজলভ্য কৰা উপকাৰী অণুজীৱৰ সংখ্যা যথেষ্ট ক্ষতি কৰে গতিকে জৈৱিক আৰু জীৱাণুসাৰ প্ৰয়োগ কৰি মাটিৰ অণুজীৱৰ কাৰ্যকলাপক উদ্দীপিত কৰি স্বাভাৱিক উৰ্বৰতা বৃদ্ধি কৰাত গুৰুত্ব দিয়া উচিত। বানপানীৰ পিছত ৰবি শস্য কৰাৰ আগতে পথাৰত হ্ৰস্বম্যাদী সেউজ সাৰ বা অন্যান্য আৱৰণ শস্যৰ খেতি কৰিও মাটিডৰা উন্নত কৰিব পৰা যায়।

মাটিৰ পৃষ্ঠভাগ শুকান হোৱাৰ পিছত শস্যৰ উৎপাদন উন্নত হ'বলৈ আৰু সাৰৰ প্ৰয়োজনীয়তা নিৰ্ণয় কৰিবলৈ মাটি পৰীক্ষা কৰি ল'ব লাগে। প্ৰয়োজন অনুসৰি অধিক পৰিমাণৰ ৰাসায়নিক সাৰ বিশেষকৈ ফছফৰাছ জাতীয় সাৰ প্ৰয়োগ কৰিবলগীয়া হ'ব পাৰে।

বানপানীৰ পিছত শেহতীয়াকৈ কৰিব পৰা শালিধানৰ জাত বা হ্ৰস্বম্যাদী ধানৰ জাতৰ খেতি কৰি আৰু পৰবৰ্তী সময়ত ৰবি শস্যৰ খেতিৰ জৰিয়তে অৰ্থনৈতিক লোকচানৰ পৰিমাণ হ্ৰাস কৰিব পৰা যাব।

**ড° নীলিম কলিতা**

# জৈৱিক কৃষিৰ প্ৰভাৱ বিস্তাৰত বনৌষধী কীটনাশকৰ ভূমিকা

খাদ্যই মানুহক শক্তি প্ৰদান কৰে সেয়া সৰ্বজনবিদিত। কিন্তু, সেই খাদ্য শস্য উৎপাদন কৰাটো জানো ইমান সহজ! নিশ্চয় নহয় কাৰণ ভাৰতৰ দৰে জনবহুল দেশ এখনত প্ৰত্যেকজন মানুহৰ সন্মুখত তিনিবেলা তিনি মুঠি খাদ্যৰ যোগান ধৰিবলৈ যাওঁতে যথেষ্ট কষ্টৰ সন্মুখীন হ'ব লগা হয়। তাৰ বাবে কৃষক আৰু কৃষি বিজ্ঞানী সকলে যৎপৰোনাষ্টি প্ৰচেষ্টা চলাই আহিছে। যদিও মন কৰিবলগীয়া এয়ে যে আমি প্ৰত্যেকে গ্ৰহণ কৰা খাদ্য আমাৰ উপযোগী নে? আমি খাদ্যৰ নামত বিহ খাই আছো নেকি? এনে প্ৰশ্নৰ উত্তৰ দিবলৈ যাওতে সৰ্বপ্ৰথমে উল্লেখনীয় হ'ব ৰাসায়নিক সামগ্ৰী নাম কাৰণ কৃষি পথাৰত ব্যৱহৃত এই সামগ্ৰীসমূহে প্ৰাকৃতিক ভাৰসাম্য তাৰতম্য ঘটোৱাৰ উপৰিও মানৱ সমাজলৈ বিপদৰ ৰণডংকা বজাইছে।

জৈৱিক কৃষিত বিশ্বাসী ভাৰতবৰ্ষৰ দৰে দেশত ৰাসায়নিক সামগ্ৰীক কৃষি পথাৰত অত্যাধিক ব্যৱহাৰ হোৱাৰ মূল কাৰণ আছিল ১৯৪২-৪৩ চনৰ বংগৰ দুৰ্ভিক্ষ। যাৰ ফলস্বৰূপে সেউজ বিপ্লৱে প্ৰত্যেক কৃষকৰ মনত এনেদৰে চুই গ'ল যে আজিও তাৰ প্ৰভাৱ অতি গুৰুত্বপূৰ্ণ। খাদ্য শস্য উৎপাদনত ভাৰতে আত্মনিৰ্ভৰ হ'ব পৰা মূল তথা অন্যতম কাৰক হ'ল সেউজ বিপ্লৱ। কিন্তু, কৃষি বিজ্ঞানীসকলে উপলব্ধি কৰিলে যে ৰাসায়নিক সামগ্ৰীসমূহ যিদৰে আমাৰ আৰ্শীবাদ ঠিক সেই দৰে অভিশাপৰ কামো খুব নিপুনভাৱে কৰে। তাৰ কুফলসমূহ যেনে- মাটিৰ স্বাভাৱিক উৰ্বৰতা হ্ৰাস পোৱা, খাদ্যত পাৰ্শ্বক্ৰিয়া পৰিস্ফূট হোৱা, শস্যৰ প্ৰতিৰোধ ক্ষমতা কমি যোৱা, ইত্যাদি। ১৯২৪ চনত অষ্ট্ৰিয়াৰ বৈজ্ঞানিক ড° ৰুড'লড ষ্টেইলাৰে জৈৱিক কৃষিৰ প্ৰথম ধাৰণাত্মক বৰ্ণনা দিছিল। তাৰ পিছত ১৯২৭ চনত জৈৱিক সামগ্ৰীক প্ৰথম ট্ৰেডমাৰ্কৰ আৰম্ভ হয়। এই জৈৱিক কৃষিৰ থুলমূল ধাৰণা এনেধৰণৰ যে ৰাসায়নিক সাৰ অথবা ৰাসায়নিক ঔষধ ব্যৱহাৰ নকৰাকৈ খাদ্য শস্য উৎপাদন কৰা কৃষি পদ্ধতি। কিন্তু, ৰাসায়নিক সামগ্ৰীক যদি বৰ্জন কৰো তেনেহ'লে আমি অন্য উপায় অৱলম্বন কৰিব লাগিব যিয়ে তুলনামূলক ভাৱে আমাৰ খাদ্য শস্য উৎপাদনত বিশেষ

(৪ পৃষ্ঠাৰ ৩ কলমত চাওক)

আমাৰ একাষাৰ

# ঘৰ এখনত পৰিপুষ্টি বাগিছাৰ প্ৰয়োজনীয়তা

সু-স্বাস্থ্য ৰক্ষাত সুষম আহাৰৰ ভূমিকা যথেষ্ট। ইয়াৰ বাবে আমাৰ দৈনিক আহাৰত খাদ্য গোটৰ সকলো খাদ্যই অন্তৰ্ভূক্ত হোৱাটো অতি আৱশ্যকীয়। কিন্তু আমাৰ ভাৰতীয়সকলৰ খাদ্য ঘাইকৈ শৰ্কৰাযুক্ত আৰু দৈনিক আহাৰত ফল-মূল আৰু শাক-পাচলিৰ অন্তৰ্ভূক্তি অতি নগণ্য। সেইবাবে বৰ্ত্তমান সময়তো বিভিন্ন অভাৱজনিত ৰোগ প্ৰধানকৈ ভিটামিন আৰু খনিজ লৱণৰ বাবে হোৱা ৰোগসমূহ এতিয়াও আমাৰ মাজত বৰ্ত্তি আছে আৰু শাৰীৰিক সমস্যাৰ সৃষ্টি কৰি আছে। চৰকাৰৰ ফালৰ পৰা যদিও এই সমূহ প্ৰতিহত কৰিবলৈ বিভিন্ন আঁচনি হাতত লৈ থকা হৈছে তথাপিও আমাৰ দৈনিক আহাৰত ফল-মূল আৰু শাক-পাচলিৰ অন্তৰ্ভূক্তিয়েহে এই সমূহ অভাৱজনিত ৰোগৰ সমিধানৰ প্ৰকৃত উপায় হ'ব। স্বাস্থ্যকৰ আহাৰৰ মূল উপাদান হিচাপে প্ৰতিটো সাজতে ফল-মূল আৰু শাক-পাচলিৰ অন্তৰ্ভূক্তি অত্যন্ত প্ৰয়োজনীয়। কিন্তু এই ক্ষেত্ৰত আমি বেছি ভাগেই বজাৰৰ ওপৰতেই নিৰ্ভৰশীল। বিশ্ববেংকে আমাৰ দেশক এখনি নিম্ন মধ্যবিত্তৰ দেশৰ মৰ্য্যদা দিছে। যিহেতু এটা পৰিয়ালৰ খাদ্য গ্ৰহণ কৰাটো মূলতে ঘৰখনৰ উপাদান আৰু খাদ্য ক্ৰয় কৰা ক্ষমতাৰ ওপৰত নিৰ্ভৰ কৰে। গতিকে আমাৰ ভাৰতবৰ্ষৰ দৰে এখন দেশত য'ত দৰিদ্ৰ সীমাৰেখাৰ তলতেই অধিকাংশ লোকে বাস কৰে আৰু তাত স্বাভাৱিকতেই দৈনন্দিন প্ৰয়োজনীয় খাদ্য ক্ৰয় কৰাটো যথেষ্ট কঠিন সমস্যা। কিন্তু আমি ফল-মূল আৰু শাক-পাচলিৰ কাৰণে বজাৰমুখী নহৈ ঘৰতে এখন পুষ্টি বাগিছা তৈয়াৰ কৰি ল'ব পাৰো। এই পুষ্টি বাগিছাত নিজৰ পচন্দ মতে গোটেই বছৰজুৰি শাক-পাচলি আৰু ফল-মূলৰ খেতি কৰিব পাৰি। লগতে এখন ভাল পুষ্টি বাগিছাৰ পৰা দৈনিক এখন ঘৰৰ কাৰণে প্ৰয়োজনীয় পাচলি সংগ্ৰহ কৰিব পাৰি। গতিকে এখন সুপৰিকল্পিকভাৱে পৰিচালনা কৰা পুষ্টি বাগিছাই ঘৰ এখনক খাদ্য সুৰক্ষা প্ৰদান কৰে।

পুষ্টি বাগিছাৰ সুবিধাসমূহ ঃ

১) ঘৰৰ গৃহিনী গৰাকীয়ে অনায়াসে প্ৰয়োজনীয় শাক-পাচলি যিকোনো সময়তে পুষ্টি বাগিছাৰ পৰা চিঙি আনিব পাৰে।

২) পুষ্টি বাগিছা পৰিয়ালটোৰ এটা আয়ৰ উৎস হিচাপেও পৰিগণিত হ'ব পাৰে, যেতিয়া পৰিয়ালটোৱে তেওঁলোকৰ অতিৰিক্ত উৎপাদনখিনি বিক্ৰী কৰিব পাৰিব। এনেদৰে পৰিয়ালটিৰ খাদ্য সামগ্ৰী ক্ৰয় কৰা ক্ষমতাও বৃদ্ধি পাব।

৩) ঘৰৰ সৰু-বৰ সকলো লোক নিয়োজিত হ'ব পাৰে কাৰণে শ্ৰমিকৰ মজুৰিত খৰচ কৰিব লগা নহয়।

৪) এখন পুষ্টি বাগিছাৰ বাবে অতি কম পৰিমাণৰ মাটিৰ আৱশ্যক হোৱা কাৰণে কম মাটিৰ গৰাকীয়েও অনায়াসে এখন ফল-মূল আৰু শাক-পাচলিৰে পৰিপূৰ্ণ বাছিা গঢ়ি তুলিব পাৰে।

৫) বিনোদনৰ সাধন হিচাপেও কোনো লোক পুষ্টি বাগিছা গঢ় দিয়াত নিয়োজিত হ'ব পাৰে।

৬) পুষ্টি বাগিছাৰ পৰা আমি নিৰাপদ ফল-মূল আৰু শাক-পাচলি লাভ কৰিব পাৰো। কিয়নো এই বাগিছা কম মাটিত, জৈৱিক পদ্ধতিৰে ঘৰুৱা ভিত্তিত কৰা কাৰণে তাত পোক-পৰুৱা বা বন-বাত নিয়ন্ত্ৰণ কৰাটো সহজ হৈ পৰে আৰু কীটনাশককে ধৰি অন্যান্য ৰাসায়নিক দ্ৰব্যৰ প্ৰয়োগ অপ্ৰয়োজনীয় হৈ পৰে।

পুষ্টি বাগিছাত সাধাৰণতে প্ৰাধান্য দিয়া ফল-মূল আৰু শাক-পাচলি সমূহ আৰু সেইবিলাকত থকা পুষ্টিদ্ৰব্য তলত উল্লেখ কৰা হ'ল -

| শাক-পাচলি / ফল-মূল | পুষ্টিতত্ব |
|---|---|
| আলু, মিঠাআলু, কচু, বীট, কাঠআলু, পকা অমিতা, কল | - শৰ্কৰা - শক্তিদায়ক আহাৰ |
| মটৰ, বীন | - প্ৰটিন - দেহ গঠনকাৰী আহাৰ |
| গাজৰ, পালেং, বন্ধাকবি, মেথিশাক, ৰঙালাও নৰসিংহ পাত, মৰিচা, পকা অমিতা | - ভিটামিন 'এ' |
| মটৰ, বীন, লেটুচ, গাজৰ, বন্ধাকবি, কচু | - ভিটামিন 'বি' |
| পালেং, বিলাহী, নেমু, ফুলকবি, বন্ধাকবি | - ভিটামিন 'চি' |
| সেউজীয়া শাক-পাচলি | - ভিটামিন 'ই' |
| সেউজীয়া শাক-পাচলি, ব্ৰকলি | - ভিটামিন 'কে' |

*(৪ পৃষ্ঠাৰ ৫ কলমত চাওক)*

# মাহটোৰ কৃষিকৰ্ম্ম

## ১৫ আহিনৰ পৰা ১৫ কাতি, ১৯৪৪ শক

## পথাৰ শস্য

### ৰহৰমাহ

১) পাত মুজুৰা পৰি গছ লেৰেলি মৰি যোৱা বেমাৰ হ'লে আক্ৰান্ত গছবোৰ উভালি জ্বলাই দিব লাগে।

২) ফুল ফুলিবলৈ আৰম্ভ কৰাৰ পৰা ১৫ দিনৰ অন্তৰে অন্তৰে তিনিবাৰ স্প্ৰে কৰিব।

৩) পাহাৰীয়া (২০-২৫ শতাংশ এঢলীয়া) অঞ্চলত ৰহৰ মাহৰ লগত এশাৰী বা দুশাৰীকৈ মগুমাহ, মাটিমাহ বা তিলৰ খেতিও কৰিব পাৰি। অন্তৰ্বৰ্তী শস্য কৰিলে ৰহৰ মাহ আৰু অন্যান্য শস্য জুলাই শেষৰ পৰা আগষ্ট মাহৰ প্ৰথম সপ্তাহৰ ভিতৰত সিঁচিব।

### মটৰমাহ

১) কাতি মাহেই মটৰমাহ সিঁচাৰ উপযুক্ত সময়।

**২)** অসমৰ জলবায়ুৰ বাবে মটৰ মাহৰ অনুমোদিত জাত কেইটা হ'ল ঃ টি-১৬৩, এইচ ইউ পি ২, কেএফ পি ডি -১ আৰু বনাভিল আৰু ৰাস্না।

পাহাৰীয়া অঞ্চলত কৰিবৰ বাবে এফ. পি. - ২৫৫ (পণ্ট - ১৪) নামৰ জাতটোও অনুমোদন জনোৱা হৈছে।

**৩)** এবিঘা মাটিৰ বাবে ৮-৯ কিঃগ্ৰাঃ বীজৰ আৱশ্যক।

৪) বীজ সিঁচাৰ ২০ দিন মানৰ আগতে প্ৰস্তুত কৰা মাটিডৰাত বিঘাই প্ৰতি ৩ কুইণ্টল হিচাবে চূণ ছটিয়াই লব।

৫) মাটি প্ৰস্তুত কৰা সময়তে প্ৰতি বিঘা তলীত ৬ কুইণ্টলকৈ গোবৰ বা পচনসাৰ প্ৰয়োগ কৰি মাটিৰ লগত মিহলি কৰি দিব।

৬) বীজ সিঁচাৰ আগতে তলীডৰাত ৩০ চেঃ আঁতৰে আঁতৰে লোৰ কৰি তাত বিঘাই প্ৰতি ৬ কি ঃ গ্ৰাঃ ইউৰীয়া আৰু ৪০ কিঃগ্ৰাঃ চুপাৰফচফেট একেলগে ছটিয়াই লব।

৭) যদি বীজবিলাকত ৰাইজ'বিয়াম জীৱানুসাৰ মিহলি কৰি লয় তেন্তে ইউৰীয়া আধা অংশ প্ৰয়োগ কৰিব।

৮) সাৰখিনি মাটিৰ লগত মিহলি কৰি লোৰ বিলাকত ১০ চেঃমিঃ দূৰে দূৰে বীজ সিঁচি মাটিৰে পাতলকৈ ঢাকি দিব।

### মচুৰমাহ

১) অসমৰ বাবে মচুৰ মাহৰ অনুমোদিত জাত কেইটা হ'ল ঃ পি এল - ৪০৬, এইচ ইউ এল- ৫৭, অসম মচুৰ - ১, অসম মচুৰ - ১।

২) এবিঘা মাটিৰ বাবে ৪ কিঃ গ্ৰাঃ বীজেই যথেষ্ট।

৩) অসমত গোটেই কাতিমাহটো মচুৰমাহ সিঁচাৰ উপযুক্ত সময়।

৪) বীজ সিঁচাৰ আগতে তলীডৰাত ২৫ চেঃ মিঃ আঁতৰে আঁতৰে লোৰ কৰি তাত বিঘাই প্ৰতি ৪.৫ কিঃ গ্ৰাঃ ইউৰীয়া আৰু ৩০ কিঃ গ্ৰাঃ চুপাৰ ফচফেট একেলগে ছটিয়াই লব।

৫) যদি বীজ বিলাকত ৰাইজ'বিয়াম জীৱানুসাৰ মিহলি কৰি লয় তেন্তে ইউৰীয়া মাত্ৰ ৩ কিঃ গ্ৰাঃ দিলেই হয়।

৬) সাৰখিনি মাটিৰ লগত মিহলি কৰি তাৰ ওপৰত বীজখিনি সমানে সিঁচি দিব যাতে মাটিত ৩ চেঃ মিঃ অধিক তললৈ নাযায়।

৭) বীজ সিঁচা হ'লে লোৰ বিলাকত দীঘে দীঘে মৈয়াই মাটিৰে ঢাকি দিব।

### ৰাজমাহ

১) কাতিমাহত ৰাজমাহৰ বীজ সিঁচি মাঘ ফাগুণ মাহত শস্য চপাই পুনৰ আগতীয়া আহু নাইবা গ্ৰীষ্মকালীন মগুমাহৰ খেতি কৰিব পাৰি।

২) অসমৰ বাবে উদয় (পি ডি আৰ-১৪), এইচ ইউ আৰ-৩০১ আৰু এইচ ইউ আৰ - ২০৩ নামৰ সঁচ বিধ উপযোগী।

৩) বেছিকৈ জেকা মাটিত ৰাজমাহ সিঁচা অনুচিত।

৪)কাতি মাহৰ আৰম্ভণিৰ পৰা আঘোণৰ মাজভাগলৈকে ৰাজমাঁহ সিঁচিব পাৰি।

৫) এবিঘা মাটিৰ বাবে ৭ কিঃ গ্ৰাঃ বীজৰ প্ৰয়োজন।

৬) বীজখিনি সিঁচাৰ আগতে প্ৰতি কিলোগ্ৰাম বীজৰ লগত ৩ গ্ৰাঃ কেপটান নাইবা ২.৫ গ্ৰাঃ মেনকজেব মিহলাই ল'ব।

৭) মাটি তৈয়াৰ কৰোতেই বিঘাই প্ৰতি ১০ কুণ্টলকৈ গোবৰ বা পচনসাৰ ছটিয়াই মাটিৰ লগত মিহলাই দিব।

৮) বীজ সিঁচিবৰ বাবে ৩০ চেঃমিঃ ব্যৱধানত একোটা লোৰ কৰি তাত বিঘাই প্ৰতি ৯ কিঃ গ্ৰাঃ ইউৰীয়া, ৩৩ কিঃ গ্ৰাঃ চুপাৰ ফচফেট্ আৰু ৪.৫ কিঃ গ্ৰাঃ মিউৰিয়েট অৱ পটাছ ছটিয়াই মাটিৰ লগত মিহলি কৰি ল'ব।

৯) লোৰবিলাকত ২০ চেঃ মিঃ দূৰে দূৰে একোটাকৈ বীজ সিঁচি মাটিৰে পাতলকৈ ঢাকি দিব।

### সৰিয়হ

১) কাতিমাহৰ আৰম্ভণিতে বীজ সিঁচিব পাৰিলে মোৱা পোকৰ পৰা শস্যডৰা ৰক্ষা কৰিব পৰা হয়।

২) বৰাক উপত্যকাৰ বাবে ওখ মাটিত আঘোণ মাহৰ দ্বিতীয় সপ্তাহ আৰু মধ্যমীয়া মাটিৰ বাবে আঘোণ মাহৰ প্ৰথম সপ্তাহ উপযুক্ত সময়। টি এচ - ৩৮, এম-২৭, টি এচ-২৯ আৰু টি এচ ৩৬ অসমৰ সকলো অঞ্চলৰ বাবে উপযোগী জাত।

৪) বৰুণা জাতটো নামনি আৰু পাহাৰীয়া অঞ্চলৰ বাবে। টি এম - ২ আৰু টি এম - ৪ জাত দুটা উজনী, মধ্য, নামনি অঞ্চল আৰু পাহাৰীয়া অঞ্চলৰ বাবে।

৫) বিঘাই প্ৰতি ১.৫ - ২ কি গ্ৰাঃ বীজৰ প্ৰয়োজন।

**৬)** শেষৰ চাহ হাল বাওতে বিঘাই প্ৰতি ১২ কি ঃ গ্ৰাঃ ইউৰীয়া, ৩০ কিঃ গ্ৰাঃ চুপাৰ ফচফেট্ আৰু ৩ কিঃ গ্ৰাঃ মিউৰিয়েট অৱ পটাছ মাটিত ছটিয়াই ভালকৈ মিহলি কৰি দিব।

৭) পানী যোগান ব্যৱস্থা থাকিলে বিঘাই প্ৰতি ১৮ কিঃ গ্ৰাঃ ইউৰীয়া,৩.৩ কিঃ গ্ৰাঃ চুপাৰ ফচফেট আৰু ৯ কিঃ গ্ৰাঃ মিঃ মিউৰিয়েট অৱ পটাছ সাৰ প্ৰয়োগ কৰিব।

**ড° ৰণজিৎ কুমাৰ সাউদ**

## উদ্যান শস্য

আহিন মাহত অসমৰ মাটি আৰু জলবায়ুৰ ওপৰত নিৰ্ভৰ কৰি ফল-মূলৰ গছবোৰত লবলগীয়া পৰিচৰ্য্যা সমূহ এনেধৰণৰ-

**কল ঃ** জেঠ মাহত ৰোপন কৰা কলৰ পুলি বিলাকত দ্বিতীয় ভাগ ইউৰীয়া (১২০ গ্ৰাম) আৰু মিউৰেট অব পটাছ (২২০ গ্ৰাম) গোবৰৰ লগত মিহলাই প্ৰয়োগ কৰক। যদি আহাৰ মাহত কলৰ পুলি ৰোপন কৰিছে তেন্তে সেই পুলি বিলাকত প্ৰথম ভাগ ইউৰীয়া (১২০ গ্ৰাম) একক চুপাৰ ফচফেট্ (২০০ গ্ৰাম) আৰু মিউৰেট অব পটাছ (২২৫ গ্ৰাম) গোবৰৰ লগত মিহলাই মাটিত প্ৰয়োগ কৰক। পুৰণি কল গছত যদি কলদিল ওলাইছে তেন্তে মাতৃ গছৰ গুৰিত মাত্ৰ এটা কলৰ পুলি ৰাখি বাকীবোৰ আতঁৰাই দিয়ক। কলডিল ওলোৱাৰ সময়ত ফল আচোৰা পোকে কুমলীয়া ফলবোৰ আচুৰী খাই নষ্ট কৰিব নোৱাৰে তাৰবাবে দশমিক দুই শতাংশ শক্তিৰ একালক্চ্ নামৰ ঔষধৰ মিশ্ৰণ কলৰ ঠোকটোত আৰু ওচৰত থকা কলৰ পুলিৰ কোমল পাতৰ ঠোৰত ঢালি দিয়ক।

**নাৰিকল ঃ** নাৰিকল গছত দিবলৈ থকা দ্বিতীয় ভাগ ইউৰীয়া (৭০০ গ্ৰাম), একক চুপাৰ ফচফেট (১০০০ গ্ৰাম) আৰু মিউৰেট অৱ পটাছ (৮৫০ গ্ৰাম) গোবৰৰ সৈতে মিহলাই গছৰ গুৰিত পাতলীয়া নলা খান্দি সমভাৱে প্ৰয়োগ কৰক। নতুনকৈ ৰোপন কৰা নাৰিকল গছৰ বাগিছাৰ মাজত অন্তৰৱৰ্ত্তী শস্য হিচাবে নানা ধৰণৰ জাৰকালিৰ শাক-পাচলি ৰোপন কৰক।

*(৪ পৃষ্ঠাৰ ১ কলমত চাওক)*

(৩ পৃষ্ঠাৰ ৫ কলমৰ পৰা)

## উদ্যান শস্য

গছত পোক বা বেমাৰে আক্ৰমণ কৰিছে নেকি নিৰীক্ষণ কৰি তাৰ নিৰাময়ৰ ব্যৱস্থা কৰক। গছৰ গুৰিত জেক থাকিবলৈ নিদিব।

**তামোল ঃ** তামোল বাৰীৰ পৰা হাবি বন আৰু সৰি পৰা পাতবোৰ আতঁৰাই পৰিস্কাৰ কৰি ৰাখক। গছৰ মাজৰ ঠাইখিনিত পাতলিয়াকৈ কোৰ মাৰি গছৰ গুৰিত মাটি চপাই দিয়ক। তামোল গছত দিবলৈ বাকী থকা অনুমোদিত সাৰৰ দ্বিতীয় ভাগ সাৰ প্ৰয়োগ কৰক। গছত বেমাৰ বা পোকে আক্ৰমণ কৰিছে নেকি নিৰীক্ষণ কৰি উপযুক্ত প্ৰতিকাৰৰ ব্যৱস্থা কৰক। যদি গছত গেন'দাৰমা বেমাৰ হৈছে তেন্তে নাৰিকল গছত দিয়াৰ দৰে কেপটানৰ মিশ্ৰণ প্ৰয়োগ কৰি পিছত সৰহ পৰিমাণৰ জৈৱিক সাৰ আৰু নিমৰ খলিহে প্ৰয়োগ কৰক।

**মাটিকঠাল ঃ** বাৰীৰ পৰা অপতৃণবোৰ আতঁৰাই দিয়ক। ফল চপোৱাৰ পাছত আতঁৰাই পেলোৱা মুকুট অংশ গোটাই আনি জেকামাটিত গোজা মাৰি ৰাখক। ফল চপোৱাৰ পাছত মূল গছত মাত্ৰ এটা পোখা পুলি ৰাখি বাকীবোৰ আতঁৰাই বেলেগ কৰি তৈয়াৰ কৰা বাৰীত ৰোপন কৰক।

**নেমুটেঙা ঃ** নেমুৰ গছৰ পুৰঠ হোৱা নিপোটল ফলবোৰ চপাইআনক। ফল চপোৱাৰ সময়ত পোকবা বেমাৰে নষ্ট কৰা সৰু সৰু ডালবোৰ আতঁৰাইপৰিস্কাৰ কৰি ৰাখক। ভাদমাহৰ শেষৰ ফালে যদি গছত দিবলৈ বাকী থকা দ্বিতীয় ভাগ সাৰ দিবলৈ নহ'ল তেন্তে আহিন মাহত সোনকালে সাৰ প্ৰয়োগ কৰক। সাৰ প্ৰয়োগ কৰাৰ আগতে গছৰ গুৰিৰ পৰা অপতৃণবোৰ আতঁৰাইদিয়ক।

**সুমথিৰা টেঙা ঃ** ভাদ মাহৰ শেষৰ ফালে যদি গছত দিবলৈ বাকী থকা দ্বিতীয় ভাগ সাৰ প্ৰয়োগ কৰা নহ'ল তেন্তে সোনকালে অনুমোদিত সাৰখিনি প্ৰয়োগ কৰক। সাৰ প্ৰয়োগ কৰাৰ আগতে বাৰীৰ পৰা অপতৃণ বোৰ আতৰাই লওক। যদি গছত ৰস শুহি খোৱা পোকে আক্ৰমণ কৰিছে তেন্তেদশমিক পাচ শতাংশ শক্তিৰ মালাথিয়ানৰ মিশ্ৰণত গুৰ মিলাই ফল বোৰত ছটিয়াই দিয়ক। যদি বেমাৰে আক্ৰমণ নকৰাকৈয়ে বা মাটিত জেক লাগি ফল সৰি পৰিছে তেন্তে প্লেনোফি'ক্চ নামৰ হৰমোনৰ ১৫-২০ পি.পি. এম. শক্তিৰ মিশ্ৰণ চটিয়াই দিয়ক।

**অমিতা ঃ** বহাগ জেঠ মাহত ৰোৱা গছত যদি ফুল ওলাই লিংগ নিৰ্ণয় কৰিব পৰা অৱস্থা হৈছে তেন্তে ভিন্নবাহী অমিতা সচঁৰ ক্ষেত্ৰত মতা গছবোৰ কাটি স্ত্ৰীপুষ্প গছবোৰ ৰাখক। প্ৰতি ১০ জোপা স্ত্ৰীপষ্প গছৰ মাজত এজোপা মতা গছ ৰাখক। উভয় লিংগধাৰী সচঁৰ ক্ষেত্ৰত এনে নিৰ্ণয় প্ৰযোজ্য নহয়। গছত ফুল ফুলিবলৈ আৰম্ভ কৰিলেই অনুমোদিত সাৰৰ দ্বিতীয় ভাগ সাৰ প্ৰয়োগ কৰক।

**মধুৰিআম ঃ** গছৰ গুৰিৰ পৰা ওলোৱা নতুন ডালবোৰ কাটি দিয়ক। কাৰণ এনে ডালবোৰ উৎপাদনক্ষম নহয়। ফল নধৰা বা আগটোৰ পৰা শুকাই অহা ডালবোৰ কাটি দিয়ক। গছজোপা যদি মৰহি যাব ধৰিছে তেন্তে কেপ্টান ঔষধ গছৰ শিপা থকা মাটি অংশত প্ৰয়োগ কৰক। গছত দিবলৈ থকা দ্বিতীয় ভাগ সাৰ প্ৰয়োগ কৰক। ফুল নুফুলা থিয় ডালবোৰ তললৈ হাওলাই ৰাখক।

**আম আৰু লিচু ঃ** ভাদ মাহৰ শেষত যদি গছত অনুমোদিত সাৰৰ দ্বিতীয় ভাগ সাৰ দিয়া নহ'ল তেন্তে সোনকলে সাৰ প্ৰয়োগ কৰক। গছত ওলোৱা নতুন কোহঁপাতবোৰ পোকে যাতে নাখায় তাৰ বাবে দশমিক দুই শতাংশ শক্তিৰ ৰগৰ বা ডাইমেক্ৰন মিশ্ৰণ পাতত ছটিয়াই দিয়ক।

**জালুক ঃ** জালুক জোপাৰ গুৰিৰ ৩ ফুট অংশ ডাল নোহোৱাকৈ ৰাখক আৰু গছৰ আগটো বা তললৈ ওলমি থকা লতিবোৰ ৰচীৰে আশ্ৰয় কৰি থকা গছত বান্ধি দিয়ক। জালুকৰ চিৰাটোত যাতে বিটলপোকে নেখায় তাৰবাবে দশমিক এক শতাংশ শক্তিৰ মালাথিয়ান মিশ্ৰণ ছটিয়াই দিয়ক।

**ড° ৰাজেন্দ্ৰ প্ৰসাদ দাস**
(অৱসৰী অধ্যাপক, অঃকৃঃবিঃ)

(১ পৃষ্ঠাৰ ৩ কলমৰ পৰা)

## উদ্যান শস্যৰ দক্ষতা বিকাশ

ৰাজ্যখনত প্ৰতি হেক্টৰ ভূমিত আলুৰ গড় উৎপাদন ৭.৫ মেট্ৰিক টন হোৱাৰ বিপৰীতে অসম কৃষি-বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তৰ প্ৰকল্প চমুকৈ এপাৰ্টৰ অধীনত কৰা প্ৰদৰ্শনমূলক খেতিত প্ৰতি হেক্টৰ কৃষিভূমিৰ বিপৰীতে ১৭ মেটিক টনকৈ আলু উৎপাদন হৈছে। পেৰুৰ আন্তৰ্জাতিক আলু কেন্দ্ৰৰ প্ৰযুক্তি ব্যৱহাৰ কৰি এই বৃহৎ সফলতা লাভ কৰাৰ কথা সদৰী কৰি উৎপাদন বৃদ্ধিৰ এয়া এক শুভ আৰম্ভণি বুলি তেখেতে কয়। এনে ধৰণৰ প্ৰচেষ্টাৰ জৰিয়তে কৃষকৰ অৰ্থনৈতিক বিকাশৰ গতি তড়িৎ গতিত বৃদ্ধি কৰাত কৃষি বিজ্ঞানীসকলক মনোনিবেশ কৰিবলৈ আহ্বান জনাই অসমৰ গ্ৰাম্য অৰ্থনৈতিক বিকাশৰ ধাৰাটো শক্তিশালী ৰূপত গঢ়ি তোলাৰ ক্ষেত্ৰত অসম কৃষি বিশ্ববিদ্যালয়ৰ ভূমিকাৰ ওপৰত ৰাজ্যবাসীয়ে দৃষ্টি নিক্ষেপ কৰি আহিছে বুলিও উল্লেখ কৰে। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে কৃষি আৰু ইয়াৰ আনুসংগিক খণ্ডসমূহক উদ্যোগ হিচাবে গ্ৰহণ কৰি ৰাজ্যখনৰ নতুন প্ৰজন্মক স্বনিৰ্ভৰশীলতাৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। তেখেতে কৃষি বিজ্ঞানীসকলক উদ্দেশ্যি পুনৰ কয় যে নৱপ্ৰজন্মক সকলো ধৰণৰ সহযোগিতা আগবঢ়াই কৃষি খণ্ডৰ বাবে আকৃষ্ট কৰাটো কৃষি বিজ্ঞানীসকলৰ লগতে কৃষি বিষয়াসকলৰ প্ৰধান দায়িত্ব হোৱা উচিত। ইতিমধ্যে কৃষি ৰপ্তানি ব্যৱস্থাটোৰ ওপৰত ৰাজ্যখনৰ কেইটামান কৃষক উৎপাদক কোম্পানীয়ে নৱজাগৰণ সৃষ্টি কৰাৰ কথাও তেখেতে উল্লেখ কৰে। অনুষ্ঠানত সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ লগত সংগতি ৰাখি কেন্দ্ৰটোৰ দ্বাৰা উদ্ভাৱিত তথা নগৰীয়া উদ্যান শস্য আৰু কণ্টেইনাৰ বাগিছাৰ বাবে উপযুক্ত এক পটিং মিশ্ৰণ প্ৰস্তুতকৰণো বাণিজ্যিকভাৱে মুকলি কৰে কৃষিমন্ত্ৰী গৰাকীয়ে। ইয়াৰ উপৰিও 'আমাৰ গাওঁ, আমাৰ গৌৰৱ আৰু আদৰ্শ পুষ্প গাওঁ' আঁচনিৰ অধীনত কৃষক হিতাধিকাৰী সকলৰ মাজত কৃষি ৰোপণ সামগ্ৰী তথা কৃষি সঁজুলি বিতৰণ আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হয়। অনুষ্ঠানত অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকাই ভাষণ প্ৰদান কৰি কয় যে ৰাজ্যখনৰ কৃষকসকলৰ সৰ্বাংগীণ বিকাশৰ বাবে অসম কৃষি বিশ্ববিদ্যালয়ে সদায় দায়বদ্ধ হৈ কাম কৰি যাব। অঞ্চলটোৰ বিভিন্ন প্ৰান্তৰ প্ৰায় শতাধিক কৃষকে অংশ গ্ৰহণ কৰা অনুষ্ঠানটোত কামৰূপ কৃষি বিজ্ঞান কেন্দ্ৰৰ জ্যেষ্ঠ বিজ্ঞানী তথা মূৰব্বী ড° ধীৰেন্দ্ৰ নাথ কলিতাকে ধৰি ভলেসংখ্যক কৃষি বিজ্ঞানী আৰু কৃষি বিষয়া উপস্থিত থাকে।

(১ পৃষ্ঠাৰ ৫ কলমৰ পৰা)

## ঘাঁহ দিৱস পালন ..

আগবঢ়ায়। অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ শস্য বিজ্ঞান বিভাগৰ মূৰব্বী ড° কল্যাণ পাঠকে ভাষণত ক্ষুদ্ৰ তথা উপান্ত খেতিয়কৰ মাজত ঘাঁহশস্যৰ যথেষ্ট সম্ভাৱনীয়তা আছে বুলি উল্লেখ কৰি নতুন নতুন জাতৰ ঘাঁহ তথা নতুন প্ৰযুক্তিৰ সৈতে যথেষ্ট উন্নতি কৰিব পৰা যাব বুলি আশা ব্যক্ত কৰে। এই অনুষ্ঠানত উদ্ভিদ প্ৰজনন আৰু বংশগতিতত্ব বিভাগৰ মূৰব্বী ড° কিশোৰ কুমাৰ শৰ্মা, ছাত্ৰ কল্যাণ সঞ্চালক ড° ৰাণা প্ৰতাপ ভূঞা, প্ৰধান বিজ্ঞানী খগেন কুৰ্মী, মূৰব্বী অধ্যাপক ড° পুণ্য গগৈ খনিকৰ, স্থানীয় গাওঁবুঢ়া ভূৱন গগৈ প্ৰমুখ্যে কেবাজনো অধ্যাপক, বিজ্ঞানী আৰু বিভাগীয় বিষয়া-কৰ্মচাৰীয়ে অংশ গ্ৰহণ কৰে। তদুপৰি 'ঘাঁহ দিৱস'ৰ লগত সংগতি ৰাখি নিৰ্বাচিত গো-পালক তথা ঘাঁহ খেতিয়কৰ সৈতে বিজ্ঞানীৰ মত বিনিময় অনুষ্ঠানৰ লগতে নিৰ্দেশমূলক তথা গৱেষণা পাম পৰিদৰ্শন কৰোৱা হয়।

(২ পৃষ্ঠাৰ ৫ কলমৰ পৰা)

## জৈৱিক কৃষিৰ প্ৰভাৱ ..

ভূমিকা গ্ৰহণ কৰে। সেইবাবে জৈৱিক পদ্ধতিক ৰাসায়নিক পদ্ধতিৰ বিকল্প হিচাবে প্ৰতিষ্ঠা কৰিবলৈ বিজ্ঞানীসকলে বিশেষভাৱে চেষ্টা চলাই আহিছে।

কীটনাশক হিচাবে উদ্ভিদগত বনৌষধীয়ে জৈৱিক পদ্ধতিত উল্লেখনীয় ভূমিকা পালন কৰিছে। উদ্ভিদগত বনৌষধী কীটনাশক হ'ল এনে কিছুমান গছ-গছনি, যাৰ শৰীৰত প্ৰাকৃতিকভাৱে কিছুমান উপাদান সৃষ্টি হয় যি কীট-পতংগ তথা বীজাণুক ধ্বংস কৰিব পৰা ক্ষমতা আছে। সেইবাবে ই শস্যৰ সুৰক্ষাৰ বাবে এক বহনক্ষম সমাধান। এই বনৌষধীসমূহ কীটনাশক হিচাপে আমাৰ ভাৰতবৰ্ষত বৈদিক যুগৰ পৰা ব্যৱহাৰ হৈ আহিছে। বিজ্ঞানী ঠাকেৰে ২০০২ চনত প্ৰকাশ কৰা অনুসৰি, ধাৰণা কৰা হৈছে যে তিনি লাখ প্ৰজাতি এনেধৰণৰ বনস্পতি আছে, যি কীটনাশক গুণেৰে পৰিপূৰ্ণ। কিন্তু বৰ্তমানলৈকে মাত্ৰ ২৪০০ প্ৰজাতিহে চিনাক্ত হৈছে। এইক্ষেত্ৰত গৱেষণা কৰাৰ বাবে বিশেষ থল আছে। ২০০৯ চনত বিজ্ঞানী মৰগাণে প্ৰমাণ কৰিছিল যে সকলো উদ্ভিদগত বনৌষধীৰ ভিতৰত নিম একমাত্ৰ বনৌষধী কীটনাশক যাৰ দ্বাৰা উৎপাদিত দুই যৌগ আজাডিৰেকটিন আৰু লিম'ন'ইডচ্‌য়ে ২৫০ বিধ কৃষিৰ উল্লেখনীয় কীট-পতংগ তথা বীজাণু প্ৰজাতি নাশ কৰিব পাৰে। ইয়াৰ উপৰিও নিমক যিকোনো জৈৱিক এজেণ্টৰ লগত সংমিশ্ৰ কৰি নতুন কীটনাশক প্ৰস্তুত কৰিব পাৰি। বহুতো বৈজ্ঞানিকে ইতিমধ্যে প্ৰমাণ কৰিছে যে নিম তেল ব্যৱহাৰ কৰিও ভালেসংখ্যক কীট-পতংগক প্ৰতিৰোধ কৰিব পাৰি। লগতে ইউকেলিপ্টাছত এনে বহুতো টাৰ্পেনইড যৌগ আছে যেন $\alpha$ আৰু পাইনেন, 1, 8-চিনেল, টাৰ্পিনোল আৰু গ্লোবিউল, যি বহুতো কীটৰ বিৰুদ্ধে ভেঁকুৰনাশক, অনুজৈৱিকনাশক আৰু পতংগনাশক হিচাবে দেখা পোৱা যায়। ডেৰিছ ইলিপটিকা, ধপাত আৰু একোৰাছ কেলামুছ আৰু ঔষধী গুণ সম্পন্ন উদ্ভিদ যেনে ইউফোৰবিয়া এছপি, ডোডোন এভেস্কোচা আৰু চিনুছ ট্ৰাই বিনিটোলিয়া উদ্ভিদতো পতংগনাশক গুণ দেখা পোৱা যায়।

ইয়াৰ উপৰিও এই বনৌষধী সমূহক জৈৱিক কৃষিত উপযুক্ত স্থান দিয়া উচিত কিয়নো মানৱ স্বাস্থ্য, পাৰিপাৰ্শ্বিকতা সুৰক্ষা আৰু কৃষিজাত সামগ্ৰীত ৰাসায়নিক কীটনাশকৰ অৱশিষ্টৰ ওপৰত কঠোৰ নিয়মাৱলীৰ উদ্বেগৰ পিছত, সংশ্লেষিত কীটনাশকৰ ব্যৱহাৰ ন্যায়সঙ্গতভাৱে আৰু কেৱল অতি প্ৰয়োজন হ'লেহে কৰিব লাগিব। তথাপিও, সংশ্লেষিত কীটনাশকৰ সৰ্তক ব্যৱহাৰৰ সৈতে, সেই ৰাসায়নিক পদাৰ্থবোৰৰ ওপৰত নিৰন্তৰ নিৰ্ভৰশীলতাই এতিয়াও পৰিৱেশ, লক্ষ্য বিহীন জীৱ আৰু মানৱ স্বাস্থ্যৰ বাবে ক্ষতিকাৰক কাৰণ সেইবোৰৰ অৱশিষ্ট প্ৰভাৱ অতি বিপদজনক। সেয়েহে, শস্যৰ কীট-পতংগৰ নিয়ন্ত্ৰণত বনস্পতি কীটনাশকৰ কাৰ্যকাৰীতা আৰু ভূমিকা সেইবোৰৰ নৱীকৰণযোগ্য প্ৰকৃতি আৰু মানৱ আৰু পাৰিপাৰ্শ্বিক সুৰক্ষাত অৱদানৰ বাবে পুনৰ বিবেচনা কৰা প্ৰয়োজন। উদ্ভিদগত কীটনাশক প্ৰস্তুত কৰাৰ বাবে প্ৰয়োজনীয় বৃহৎ পৰিমাণৰ সামগ্ৰী বিবেচনা কৰি, খাদ্য শস্যৰ সৈতে প্ৰতিযোগিতা পৰিহাৰ কৰাৰ বাবে কৃষিযোগ্য কৃষিৰ বাবে উপযুক্ত নোহোৱা প্ৰান্তীয় ভূমিত উক্ত উদ্ভিদৰ বৃহৎ পৰিমাণৰ খেতি কৰিব পাৰি। উদ্ভিদগত কীটনাশকৰ দ্ৰুত জৈৱ-পচনশীল প্ৰকৃতি ভাল কিন্তু সিহঁত খুব কম সময়ত ব্যৱহাৰৰ অনুপযোগী হোৱাৰ বাবে কিছু ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি হয়। সেয়েহে আকাংক্ষিত কাৰ্যকাৰীতা বজাই ৰাখি দীৰ্ঘ সময় ৰাখিব পৰাকৈ ফৰ্মুলেচন বিকশিত কৰিবলৈ অধিক গৱেষণাৰ প্ৰয়োজন আছে। সংশ্লিষ্ট অংশীদাৰসকলে, গৱেষক আৰু নীতি নিৰ্মাতাসকলৰ সমৰ্থনত, উদ্ভিদগত কীটনাশক আৰু অন্যান্য প্ৰাকৃতিক সামগ্ৰীবোৰক সুৰক্ষিত কীট প্ৰৱন্ধন সঁজুলি হিচাপে গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত অধিক সজাগতা সৃষ্টি কৰিব লাগে। একত্ৰিত কীট ব্যৱস্থাপনা ৰণনীতিত জৈৱিক কীট নিয়ন্ত্ৰণ সামগ্ৰীৰ বৰ্ধিত ব্যৱহাৰৰ ফলত বিশেষ বজাৰত কৃষিজাত সামগ্ৰীৰ গ্ৰহণযোগ্যতা উন্নত হ'ব, এনেদৰে উন্নত আন্তঃৰাষ্ট্ৰীয় বাণিজ্য, খাদ্য সুৰক্ষাৰ লগতে জৈৱ বৈচিত্ৰ সংৰক্ষণ, পৰিৱেশ আৰু মানৱ স্বাস্থ্যৰ সুৰক্ষাত অৰিহণা যোগাব।

**মিঠু গগৈ**
**স্বাগতা শইকীয়া**

(৩ পৃষ্ঠাৰ ১ কলমৰ পৰা)

## ঘৰ এখনত পৰিপুষ্টি বাগিছাৰ..

বীন, গাজৰ, বন্ধাকবি, ফুলকবি, লেটুচ,
- কেলচিয়াম

পালেং, মটৰ, বিলাহী, মৰিচা
আলু, পালেং, গাজৰ, বিলাহী, তিয়ঁহ,
- ফচফৰাচ

ফুলকবি, মটৰ, লেটুচ
কল, মিঠাআলু, মূলা, তিতাকেৰেলা,
বীন- পটাছিয়াম

পদিনা, নৰসিংহ পাত, বিলাহী, মৰিচা,
মটৰ, বীন
- আইৰণ

যিহেতু দৈনিক আহাৰত এই কেইবিধ খাদ্য গোটৰ অভাৱে অপুষ্টি বিশেষকৈ ভিটামিন আৰু খনিজ লৱণৰ কাৰণে হোৱা বিভিন্ন অভাৱজনিত ৰোগৰ প্ৰধান কাৰক হিচাপে পৰিগণিত হয়। গতিকে এখন সু-পৰিকল্পিত পুষ্টি বাগিছাৰ পৰা আমি গোটেই বছৰজুৰি আমাৰ প্ৰয়োজনীয় শাক-পাচলি আৰু ফল-মূল আহৰণ কৰি সুস্থ-সবল স্বাস্থ্যৰ অধিকাৰী হ'ব পাৰো।

**শ্ৰীমতী মৃদুস্মিতা বৰঠাকুৰ**

**বছৰেকীয়া বৰঙণি ঃ** ১০.০০ টকা। **প্ৰতিখনৰ মূল্য ঃ** ১.০০ টকা। **প্ৰকাশৰ স্থান ঃ** অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট - ১৩। সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড° প্ৰসন্ন কুমাৰ পাঠকৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত। অসম কৃষি বিশ্ববিদ্যালয় অফছেট ছপাশাল, যোৰহাট - ১৩ ত মুদ্ৰিত। **মুখ্য সম্পাদক ঃ** ড° ৰণজিৎ কুমাৰ সাউদ